**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-April-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

—————————————————

অসমবাসীৰ হেঁপাহৰ ৰঙালী বিহুলৈ মাজত এদিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি জনসাধাৰণে বিহুৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। উজনিৰ পৰা নামনিলৈ বিহু ঢোলৰ গুমগুমনি আৰু নাচনীৰ নাচোনৰ চেৰত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। বাপতিসাহোন ৰঙালী বিহু উৎসাহ-উদ্দীপনাৰে উদযাপন কৰাৰ প্ৰস্তুতি হিচাপে ৰাজ্যৰ ঠায়ে ঠায়ে বিহু আৰু জনগোষ্ঠীয় নৃত্য তথা লোকবাদ্য বাদনৰ কৰ্মশালাসমূহ প্ৰায় অন্তিম পৰ্যায়ত উপনীত হৈছে। পৰহিলৈ অসমবাসীয়ে গৰু বিহুৰ দিনা পৰম্পৰাগত ৰীতি-নীতিৰে গৰুক গা ধুৱাই গোধনৰ শ্ৰীবৃদ্ধি কামনা কৰিব। শিৱসাগৰৰ সমীপৰ ৰুদ্ৰসাগৰৰ পুৰণি পুখুৰীপাৰত অনুসূচীত জাতি মহিলা ঐক্যমঞ্চৰ উদ্যোগত আয়োজিত সাদিনীয়া বিহু আৰু ঢৌলবাদন কৰ্মশালাৰ কালি সামৰণি পৰে। ৪ এপ্ৰিলৰ পৰা অনুষ্ঠিত এই কৰ্মশালাত দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি বিহু নাচ আৰু ঢোল বাদনৰ প্ৰণালীবদ্ধ প্ৰশিক্ষণ গ্ৰহণ কৰে। এই সন্দৰ্ভত এগৰাকী উদ্যোক্তাই এইদৰে কয়-

(বাইট)

সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত শিৱসাগৰ মহকুমা ছাত্ৰ আৰু আঞ্চলিক ছাত্ৰ সন্থা তথা স্থানীয় ৰাইজৰ সহযোগত ২ ব'হাগত শিৱসাগৰ নগৰৰ বোৰ্ডিং খেলপথাৰত মুকলি বিহু আৰু সাংস্কৃতিক সমাৰোহৰ আয়োজন কৰা হৈছে। এই সমাৰোহ শিক্ষাবিদ তথা লোকসংস্কৃতিৰ গৱেষক ড০ অনিল শইকীয়াই শুভাৰম্ভ কৰিব।

অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত ডিব্ৰুগড়ত কালিৰে পৰা তিনিদিনীয়াকৈ অসমী ব'হাগী মেলা অনুষ্ঠিত হৈছে। জিলা পুথিভঁৰাল প্ৰাংগণত অনুষ্ঠিত এই মেলাত ২৮টা আত্মসহায়ক গোটৰ বিপনীৰ লগতে বিভিন্ন বিভাগৰ বিপণীয়ে অংশ লৈছে। জিলাখনৰ প্ৰান্তে প্ৰান্তে জনসাধাৰণে বিহুৰ প্ৰস্তুতি চলাইছে। মটক, মৰাণ আৰু আহোম জনগোষ্ঠীৰ লোকসকলে বালি হুচৰি আৰম্ভ কৰি বিহুৰ প্ৰস্তুতি চলাইছে।

গোৱালপাৰা জিলাত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত তিনি দিনীয়াকৈ অসমী ভোগালী মেলা অনুষ্ঠিত হৈছে। মেলাৰ সৈতে সংগতি ৰাখি খেল-ধেমালি প্ৰতিযোগিতা, বিহু নাচ, পৰম্পৰাগত সাজপাৰ, লোকগীত আৰু আধুনিক গীতৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

গুৱাহাটী মহানগৰীত নেডফিহাট, লক্ষীধৰ বৰা ক্ষেত্ৰৰ উপৰি বিভিন্ন স্থানত বিহু উপলক্ষে বিপণী মুকলি কৰা হৈছে।

বকোত আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ উদ্যোগত বিহুনাচৰ কৰ্মশালা অনুষ্ঠিত হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ২৩ গৰাকী প্ৰশিক্ষকে এই কৰ্মশালাত প্ৰশিক্ষণ প্ৰদান কৰিছে। কামৰূপ আৰু গোৱালপাৰা জিলাৰ এহেজাৰ ২০০তকৈ অধিক ল'ৰা-ছোৱালীয়ে কৰ্মশালাত অংশ লৈছে।

বিশ্বনাথ জিলাৰ কলাবাৰীত বিহুৰ কৰ্মশালা অনুষ্ঠিত হৈছে। কৰ্মশালাত দুই শতাধিক নাচনী-ঢুলীয়াই অংশগ্ৰহণ কৰিছে। সোমনাথ ওজাই প্ৰশিক্ষাৰ্থীসকলক প্ৰশিক্ষণ প্ৰদান কৰিছে। উত্তৰ গুৱাহাটীৰ মাইহাং সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত বিহু কৰ্মশালাৰ আয়োজন কৰা হৈছে।

মঙলদৈ চহৰৰ জয়ন্ত হাজৰিকা স্মৃতি উদ্যানত কালিৰেপৰা ব'হাগী মেলা অনুষ্ঠিত হৈছে। সোমবাৰলৈ হ'বলগীয়া এই মেলা দৰং জিলাৰ আয়ুক্ত আয়ুসী জৈনে উদ্বোধন কৰে।

একেদৰে হাটশিঙিমাৰীতো কালিৰেপৰা তিনিদিনীয়া কাৰ্যসূচীৰে ব'হাগী মেলাৰ আয়োজন কৰা হৈছে। ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত অনুষ্ঠিত এই মেলাৰ জৰিয়তে অঞ্চলটোৰ আত্মসহায়ক গোটৰ সদস্যসকলক হস্তনিৰ্মিত আৰু থলুৱা সামগ্ৰী বিক্ৰীৰ এখন সমন্বিত মঞ্চ প্ৰদান কৰিব বিচৰা হৈছে।

হাফলঙত তিনিদিনীয়া কাৰ্যসূচীৰে অসমী ব'হাগী মেলা অনুষ্ঠিত হৈছে। এই মেলাত লোকসংগীত, বিহু নাচ আৰু পৰম্পৰাগত নৃত্যকে ধৰি ৰাজ্যৰ চহকী পৰম্পৰা প্ৰদৰ্শন কৰা হৈছে। এই মেলাত অঞ্চলটোৰ বিভিন্ন মহিলা সমিতিয়ে প্ৰস্তুত কৰা পিঠাপনা, হস্তশিল্প, বস্ত্ৰ আদি সামগ্ৰী বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। অসম গ্ৰামীণ জীৱিকা মিছনৰ তত্বাৱধানত শিলচৰত কালিৰেপৰা ব'হাগী মেলা অনুষ্ঠিত হৈছে। ১৩ এপ্ৰিললৈ চলিবলগীয়া এই মেলাত আত্মসহায়ক গোটৰ সদস্যসকলৰ হস্তনিৰ্মিত আৰু থলুৱা সামগ্ৰীৰ প্ৰদশনী আৰু বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে।

যোৰহাটৰ অ'ল্ড চাৰ্কিট ৰোডত ব'হাগী মেলাৰ আয়োজন কৰা হৈছে। জিলাখনৰ বিভিন্ন আত্মসহায়ক গোট আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকসকলে এই মেলাত অংশগ্ৰহণ কৰিছে। তিতাবৰতো ব'হাগী মেলা অনুষ্ঠিত হোৱাৰ বাতৰি পোৱা গৈছে।

০০০০০০

গুৱাহাটীত কাইলৈৰ পৰা ১৯ এপ্ৰিললৈ অষ্টম পুৰুষ-মহিলা ৰাষ্ট্ৰীয় যুৱ বক্সিং প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দেশৰ ৩৩ খন ৰাজ্যৰ প্ৰায় ৮০০ খেলুৱৈ, প্ৰশিক্ষক আৰু কাৰিকৰী বিষয়াই এই প্ৰতিযোগিতাত অংশ ল'ব। অসম এমেচাৰ বক্সিং সংস্থাৰ সম্পাদক হেমন্ত কুমাৰ কলিতাই কালি এখন সংবাদমেলত এই কথা সদৰি কৰে। এই প্ৰতিযোগিতাৰ পৰা বক্সিং ফেডাৰেচন অব্ ইণ্ডিয়াৰ সহযোগত অসম এমেচাৰ বক্সিং সংস্থাই আয়োজন কৰা এই প্ৰতিযোগিতাৰ পৰাই যুৱ অলিম্পিক গেম্‌ছ আৰু বিশ্ব চেম্পিয়নশ্বিপৰ বাবে ভাৰতীয় পুৰুষ-মহিলা বক্সিং দল বাছনি কৰা হ'ব।

০০০০০০

**সমাপ্ত**